ভেকুলী [redacted]া।

প্ৰকাশক

এজেঞ্চি কেম্পানী।

পোঃ আঃ বিতাবাৰি আসাম।

Printed at the gouri sunker press
By R sarmah.

দেচ /০ এক অনা মাহোম।

ভেকুলী বিয়া

GOVERNMENT OF ASSAM
Call No...............
DISTRICT LIBRARY

যোৰোণৰ

ৰাম ৰাম, বাতৰে ধেকিয়া
ৰাম ৰাম, আমাক বাতেদিয়া
ৰাম ৰাম, যোৰোণ পিন্ধাবলৈ যাওঁহে।
ৰাম ৰাম, আগৰ খন ভাৰতে
ৰাম ৰাম, কি বি আনিছা

DISTRICT LIBRARY

ৰাম ৰাম , বৰ চ'ৰাৰ মুৰতে থোৱাহে ॥
ৰাম ৰাম , পাছৰ খন ভাৰতে
ৰাম ৰাম , কি কি আনিছা
ৰাম ৰাম , ভঁৰালৰ গাধৈতে থোৱাহে ।
ৰাম ৰাম , ভঁৰালৰ তলতে
ৰাম ৰাম , আছে ক'লী কুকুৰ
ৰাম ৰাম , ভাইকে বিয়া কৰি নিয়াহে ॥
ৰাম ৰাম , আহিব দিলোঁ ময়
ৰাম ৰাম , ছুভাই পাৰবতে
ৰাম ৰাম , ভৈয়ামে আহিলা কিয়হে ।
ৰাম ৰাম , ৰ'ব দিলোঁ ময়
ৰাম ৰাম , পদূলী মুখতে
ৰাম ৰাম , ৰভাতল সোমালাঁ কিয়হে ॥

—:*:—

পানীতোলা নাম ।

জয় , পানি তুলি বলৈ ;
জয় , ওলাইছে দৈৱকী
জয় , ৰূপতে ধূপে লগাই ।
জয় , কাষতে কলশী ;

জয় ,   লোৱাহি দৈৱকী
জয় ,   ভৰে যমুনালৈ যাওঁ ।
জয় ,   সূৰ্য্যৰ মুখে দেখি
জয় ,   দময়ন্তীদেৱী
জয় ,   ক'তে পানী তোলাগৈই
জয় ,   ডুবকৈ পুখুৰি
জয় ,   খনালা ৰুক্মিণী
জয় ,   বন্ধালা সেন্দুৰী আলি ।
জয় ,   ডুফালে ডুশাৰী
জয় ,   কদম ৰুই গলে
জয় ,   তাৰ মাজে বকুলৰ শাৰী

পানীতুলি আহোঁতে গোৱা নাম ॥

ঐ ৰে ৰবি ,   জলভৰি যশোদা
ঐ ৰে ৰবি ,   পাছলৈ নেছাবা
সখী ঐ ,   সাগৰো আহিব ভাগি ।
ঐ ৰে ৰবি ,   সাগৰো শুকাব
ঐ ৰে ৰবি ,   মানিকো লুকাব
সখী ঐ ,   চুকৰ ভেকুলীৰে বিষ্ম ।

চালত পানী দিয়া নাম।

ঐ ৰে ৰবি, চালত পানী দিবা
ঐ ৰে ৰবি, নিয়মকৈ সোমাবা
সখী ঐ, মণ্ডল চাই টেকেলি থবা।
ঐ ৰে ৰবি, দুৱাৰ মেল দুৱৰী
ঐ ৰে ৰবি, অৰ্জ্জুন কুঁৱৰী
সখী ঐ, দুৱাৰত ঘুনুচাজৰি।
ঐ ৰে ৰবি, শিলৰ পাটে দুৱাৰ
ঐ ৰে ৰবি, [illegible]
সখী ঐ, [illegible] ভিতৰ [illegible]।

নোৱণী নাম।

ওলাই আহাঁ আইতীয়ে, আঙ্গুলিকে লেখি।
প্ৰজাসকল বৈ আছে; তোমাক নেদেখি॥
ওলাই আহাঁ আইতীয়ে; মাটীৰ মঙ্গলচাই।
গণকে গণিতা কৰে; খেণ চৰি যাই॥
ওলাই আহাঁ আইতীয়ে; নকৰিবা লাজ।
ঘৰতে নোৱাব লাগে; দুৱাৰদলিৰ বাজে॥

ৰাম ৰাম ,　　ডালিম খিয় কৰি
ৰাম ৰাম ,　　মূৰত তেলে দিবা
ৰাম ৰাম ,　　সুগন্ধ মালতি হাতে ।
ৰাম ৰাম ,　　তেলে চিকে মিকাই
ৰাম ৰাম ,　　চিকুনে আইতী
ৰাম ৰাম ,　　গলে চিকে মিকাই মনি ॥
ৰাম ৰাম ,　　মুঠিৰে ভিতৰত
ৰাম ৰাম ,　　কিহে চিকে মিকাই
ৰাম ৰাম ,　　হেঙ্গুল হাইতালৰ ফনি ।
ৰাম ৰাম ,　　কেলেই ঘহিছাঁ
ৰাম ৰাম ,　　কেতুৰি হালধি
ৰাম ৰাম ,　　আপুনি কেতেকীৰ পাহি ॥
ৰাম ৰাম ,　　জাতি চন্দনেৰে
ৰাম ৰাম ,　　এছাতি মাৰিবা
ৰাম ৰাম ,　　থাকিব মলে মলাই ।
ৰাম ৰাম ,　　নোৱাযে নোৱাবি
ৰাম ৰাম ,　　ভালকৈ নোৱাবি
ৰাম ৰাম ,　　চিকুত বান্ধুহ কিয় ।
ৰাম ৰাম ,　　নিয়তি চৰায়ে
ৰাম ৰাম ,　　কৰে নিও নিও

ৰাম ৰাম , তাই জানো নিবহি পাৰে ।
ৰাম ৰাম , ধাৰি যেন পিঠিৰে
ৰাম ৰাম , লেৰুৰা ওঁঠেৰে
ৰাম ৰাম , তাই জানো নোৱাব জানে ।
ৰাম ৰাম , ধানৰ নাওঁ মাগুৰি
ৰাম ৰাম , মেখেলা হাংগুৰী
ৰাম ৰাম , নোৱাব নেজান কিয় ॥

বেইতলত গোৱা বা গাধুউৱাব নাম ।

জয় , বেই পাক ঘূৰিলে
জয় , ফুৰনি লাগিলে
জয় , সোমায় বৰে পিৰাত বহে ।
জয় , চামৰ বৰে পিৰা
জয় , তলে চাৰি খুৰা
জয় , বহিছে সোণৰ চেকুৰা ॥

আকাশতে ফুলি আছে
থুপি থুপি তৰা
আইদেৱে পানীধালে
নাচে অপেশ্বৰা ।

PLEASE HANDLE THE BOOK CAREFULLY

ভেকৰাজাৰ পচুলীতে
হালি আছে নল
কলহে কলহে ধালে
যমুনা ৰে জল ॥
ঐ ৰে, এই সাজে পাৰে
ঐ ৰে, নুশুৱাই আইতী
ঐ ৰে, আৰু সাজে পাৰে লাগে কি ৰে।
ঐ ৰে, খৰকৈ যোৱাঁগৈ
ঐ ৰে, ভেকৰাজাক কোৱাঁগৈ
ঐ ৰে, এতিয়াই সলাব লাগেকি ৰে ॥
ঐ ৰে, এক লাখ টকাৰে
ঐ ৰে, তুলি তলিছা
ঐ ৰে, দুই লাখ টকাৰে গান্ধকি ৰে।
ঐ ৰে, তিনি লাখ টকাতে
ঐ ৰে, সুন্দৰী বহিছে
ঐ ৰে, কোনে বুলি যাব সৰুকি ৰে ॥
ঐ ৰে, হাতে কিয়ে চাঁবা
ঐ ৰে, হাতি শুঁৰে যেনে
ঐ ৰে, ভৰি কিয়ে চাঁবা গোটাকি ৰে।
ঐ ৰে, মুখে কিয়ে চাঁবা

ঐ ৰে, পুৰ্ণিমাৰে জোনে
ঐ ৰে, চকু সৰগৰে তৰাকি ৰে ॥

দৰালি ঘৰিয়াৰ নাম।

হৰি হে, অৰণ্যে অৰণ্যে
হৰি হে, আহিলা ভেকোৰাজ
হৰি হে, পদুলীত দেখিলা ইটো হে ৰাম।
হৰি হে, চোতালত দেখিলা
হৰি হে, কেচা আমে ডালি
হৰি হে, ভিতৰত সজাইছে সীতা হে ৰাম ॥

অ সখী, পদুলী মুৰতে
অ সখী, সিলিখা এজুপি
অ সখী, ঠালে ভৰি ভৰি লাগে ॥
অ সখী, ভিতৰৰে পৰা
অ সখী, আইদেউ মাতে লগাই
অ সখী, সিলিখা জোকাৰে কোনে ॥
অ সখী, বাৰিৰে টগৰফুল
অ সখী, দুইৰো একেকুল
অ সখী, গুলাই সমিধানে দিয়া ॥
অ সখী, মোৰ্ ৰাঁ গুৰু দেও

অ সখী ,   পিন্ধি বস্ত্ৰখানি
অ সখী ,   আগলৈ আহিব লাগে ॥
অ সখী ,   জগন্নাথ আহিব
অ সখী ,   পাবহি দ্বাৰকা
অ সখী ,   কৃষ্ণ আছে বৃন্দাবনে ॥

কলৰ গুৰিত গোৱা নাম ।

হৰি হে ,   বাঁহৰ বিচনি
হৰি হে ,   লগিলা শহুআই
হৰি হে ,   লাগিলে পিতলৰ সৰাই হে ৰাম ৰাম।
হৰি হে ,   নিহে খঙ্গেৰে
হৰি হে ,   ভেকোবাজ আহিছে
হৰি হে ,   মৃচৰি পেলাব ভাঙ্গি হে ৰাম ৰাম ॥
হৰি হে ,   মাকৰ নুমলীয়া
হৰি হে ,   জাকৰ ধেমেলীয়া
হৰি হে ,   নেখাই গাখীৰৰে লাড়ু হে ৰাম ৰাম।
হৰি হে ,   কিনো কাচনেৰে
হৰি হে ,   কাচাঁহে শাহুআই
হৰি হে ,   কিনো কাচনেৰে কাচা হে ৰাম ৰাম ॥
হৰি হে ,   জোঁৱাই কলাতলত

হৰি হে, থৈ হে শাহুআই
হৰি হে, জীয়েৰক পঁইতা জাছা হে ৰাম ৰাম।
হৰি হে, মাকে বুলিলে
হৰি হে, বৈযা আইতী
হৰি হে, খাইজা পঁইতা ভাত হে ৰাম ৰাম॥
হৰি হে, চাঁদে উড়ি গল
হৰি হে, তিপচি চৰাইটি
হৰি হে, চাঁদে উৰি গল জিয়া হে ৰাম ৰাম॥

হোমৰ গুৰিত গোৱানাম।

চোৱাপমি, ভেকুলি বিয়ালৈ
চোৱাপমি, আহে ইন্দ্ৰদেৱে
চোৱাপমি, বতাহ বৰষুনত তিতিহে।
চোৱাপমি, স্বৰ্গৰ অপেশ্বৰী
চোৱাপমি, নামি আহিছে
চোৱাপমি, ভেকুলিৰে বিয়া শুনিহে॥
চোৱাপমি, দেখি মহাদেৱে
চোৱাপমি, ভেকুলিৰে বিয়া
চোৱাপমি, হাহেঁ খলখলি চাই হে।
চোৱাপমি, এনেকুৱা বিয়া

চোৰাপখি ,   কতোনাই দেখা
চোৰাপখি ,   আজি দেখিবলৈ পালো হে ॥
চোৰাপখি ,   গপ গপি মাৰি
চোৰাপখি ,   আছে ৰঙ কৰি
চোৰাপখি ,   ভেকুলিৰ বিয়ালৈ বুলিছে :
চোৰাপখি ,   মনত ৰঙ কৰি
চোৰাপখি ,   আহিলোঁ বিয়ালৈ
চোৰাপখি ,   বহিব নেপালো ঠাই হে ॥
চোৰাপখি ,   কেঁকোৰাৰ গাঁততে
চোৰাপখি ,   বিয়াখন পাতিছে
চোৰাপখি ,   খাবলৈ নেপালো পান হে ।
চোৰাপখি ,   খহুলী ভেকুলীৰ
চোৰাপখি ,   বিয়াখন পাতিছে
চোৰাপখি ,   ৰাইজে বেৰি বেৰি চাই হে ॥
চোৰাপখি ,   চন্দ্ৰ আহিছে
চোৰাপখি ,   সূৰ্য্য আহিছে
চোৰাপখি ,   আহিছে স্বৰ্গৰ তৰা হে ।
চোৰাপখি ,   বায়ু দেৱতাক
চোৰাপখি ,   মেঘে লুকুৱালে
চোৰাপখি ,   সাত দিন বৰষুণ দি হে ॥
চোৰাপখি ,   খহুলী ফাপৰী
চোৰাপখি ,   চুকৰে ভেকুলী
চোৰাপখি ,   হাতৰ কাণৰ খুলি দিছে হে ।

চোৱাপমি, খহুলী ভেকুলী
চোৱাপমি, চুকৰে সুন্দৰী
চোৱাপমি, তোক জানো কিহবাই পালে হে
চোৱাপমি, মঙ্গলে ধৰিলে
চোৱাপমি, মঙ্গল দৈবত আছে
চোৱাপমি, আইতীক বিচাৰি যাওঁ হে।
চোৱাপমি, আইতী গুৰিলৈ
চোৱাপমি, বিচাৰি যাওতে
চোৱাপমি, বাটত বৰষুণে পালে হে ॥
চোৱাপমি, এখন গাঁওতে
চোৱাপমি, সোমাব খুজিলো
চোৱাপমি, পথৰা কুকুৰে খালে হে।
জোনেবেলি, আগ বেলা মাতিলো
জোনেবেলি, পিচ বেলা আহিলি
তৰাঐ, মেখেলা চুৰ কৰিলা।
জোনেবেলি, গায়নক মাতিলো
জোনেবেলি, ধুলিয়া মাতিলো
তৰাঐ, আনিছে মদাৰৰ ধোল ॥
জোনেবেলি, কলৈনো যোৱাগৈ
জোনেবেলি, খহুলি আইতী
তৰাঐ, আমাকে অকলৈ থৈ।
আইদেৱে নবহিলে তলে ধুলি মাটী।
দেউতাকে অনাই থৈছে বঙ্গলুয়া পাতি ॥

অন্ত।

জাননী।

তলত লিখা কিতাপ বিলাক আমালৈ লিখিলে পাব পাৰিব। ইয়াৰ বাহিৰেও আন সকলো কিতাপ আছে।

পকা বন্ধা কীৰ্ত্তন বোৱা	২॥০	ৰুক্মিণী হৰণ	৸০
পকা বন্ধা দশম	২৲	কুমৰহৰণ	॥০
ঐ বধাসুৰ বধ	২৲	উষাহৰণ	।৶০
ব্ৰহ্মবৈবৰ্ত্ত পুৰাণ	১৲	ভীমচৰিত্ৰ	।০
ঐ পাকা বন্ধা	১॥০	নব বেজালী	।০
পাকা বন্ধা ১৮ পৰ্ব্ব		বৰকৰ্ত্ত	।৶০
মহাভাৰত	২৲	নিদান	॥০
পাকা বন্ধা ৭ কাণ্ড		বভ্রুবাহ পৰ্ব্ব	॥০
ৰামায়ণ	১০	ভীষ্ম পৰ্ব্ব	৸০
পাকা বন্ধা শ্রীমদ্ভাগবত		উদ্যোগ পৰ্ব্ব	॥০
দ্বাদশ স্কন্ধ	২॥০	কৰ্ণ পৰ্ব্ব	॥০
অসমীয়া পদ্ম গীতা	১৲	স্বৰ্গাৰোহণ পৰ্ব্ব	।০
অনাদি পাতন	॥০	সীতা বনবাস	।৶০
গুৰুপ্রমাণ	।৶০	শক্তিশেল	।০
ৰাধাহৰণ	।০	প্ৰহ্লাদ চৰিত্ৰ	।৶০
ধৰ্ম্ম সংবাদ	।০	ব্ৰাহ্মণ ক্রিয়া সাৰ	।৶০
লক্ষ্মীচৰিত্ৰ	৴০	ব্ৰাহ্মণ জীৱন	১৲
পাতাল কাণ্ড ৰামায়ণ	॥৶০	বড় গীত	।৶৫

ঠিকানা।

শ্রীনন্দেশ্বৰ চক্রবর্ত্তী মেনেজাৰ—এজেন্সি কোং।
পোঃ আঃ বিহাবাৰি আসাম।